# জধেমধে কাঠফুলা নেখাব

- ☐ কাঠফুলা খোৱাৰ আগেয়ে কাঠফুলাৰ বিষাক্ত জাতসমূহৰ বিষয়ে জানি লওক।
- ☐ সাধাৰণতে 'এমেনিটা ফেল্লইডেছ' জাতৰ বিষাক্ত কাঠফুলাবিধ ভক্ষণ কৰি মানুহ আক্ৰান্ত হয়।
- ☐ বিষাক্ত কাঠফুলাৰ ঠাৰিৰ গুৰিত পতুৱাৰ দৰে যি 'ভল্‌ভা' নামৰ অঙ্গ থাকে তাত এখন চামনি থাকে। ই সহজে দেখা পোৱা নাযাবও পাৰে।
- ☐ বিষাক্ত কাঠফুলাৰ ছাতি আৰু ঠাৰিডালৰ সংলগ্নস্থলত স্কাৰ্টৰ দৰে এটা আঙঠি থাকে।
- ☐ বিষাক্ত কাঠফুলাৰ ছাতিটোৰ ভিতৰফালে যিবিলাক শিৰা থাকে সেইবিলাক অত্যধিক বগা হয়।
- ☐ ই অকলে বা শাৰী শাৰীকৈ গজে।
- ☐ ভক্ষণীয় বুলি প্ৰতীয়মান নহ'লে কাঠফুলা বিশেষকৈ বনৰীয়া কাঠফুলা খোৱাৰ পৰা বিৰত থাকক।

**বিষাক্ত কাঠফুলাৰ ছবি**




এমেনিটা ফেলইডেছ
Fig 1. *Amanita phalloides*